समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্রেণীৰ বাবে

অংকুৰণ

পাঠ - ৫

বিজ্ঞান আৰু আমাৰ মানসিকতা

অংশ – ৩

অংগৰাগ ভূঞা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

খ- ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

পায়েং — পায়েঙৰ
খং — খঙৰ
দলং — দলঙত
ৰং — ৰঙৰ

উল্লিখিত শব্দকেইটাত 'ংং' আৰু 'ঙ'ৰ ব্যৱহাৰ মন কৰিছানে? মূল শব্দটোত 'ংং' ব্যৱহাৰ হৈছে আৰু যিবোৰত বিভক্তি যোগ হৈছে সেইবোৰত 'ঙ' ব্যৱহাৰ হৈছে। 'ঙ' হ'ল অনুস্বৰৰ (ংং) ব্যঞ্জনান্ত ৰূপ। অনুস্বৰ যদি শব্দৰ মাজত যুক্তৰূপত থাকে, তেতিয়া অনুস্বৰৰ পৰিৱৰ্তন নহয়। যেনে শংকৰ, সংগীতা ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। তলৰ বাকচত দিয়া শব্দকেইটাৰে বাক্য ৰচনা কৰা।

দলং | ৰং | কলং | শিং



কলঙৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। এটা শব্দত প্ৰকাশ কৰা —

(ক) যি একেলগে পঢ়ে সহপাঠী ।

(খ) যি জানিবলৈ ইচ্ছা কৰে জিজ্ঞাসু ।

(গ) গাঁৱৰ মুখিয়াল গাঁওবুঢ়া ।

(ঘ) কাৰো পক্ষ নোলোৱা নিৰপেক্ষ ।

(ঙ) এজনৰ দেহৰ পৰা আন এজনৰ দেহলৈ যোৱা বেমাৰ সংক্ৰামক ৰোগ ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। বিপৰীতার্থক শব্দ লিখা।

আৰম্ভ	শেষ	বাদ	ধৰা
উপস্থিত	অনুপস্থিত	দিন	ৰাতি
অপকাৰ	উপকাৰ	মাতি	আমাতি

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

আৰম্ভ - শেষ।

উপস্থিত - অনুপস্থিত।

অপকাৰ - উপকাৰ।

বাদ - ধৰা ।

দিন - ৰাতি।

মাস্তি - অমাস্তি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। পঢ়া আৰু দফাটোত থকা ' ং' আৰু 'ঙ'ৰ ব্যৱহাৰ শিকা —



শংকৰৰ বান্ধৱীৰ নাম জংকী। জংকীৰ ঘৰ কলঙৰ পাৰত। কলং নৈৰ ওপৰত দলং আছে। কলঙেদি টুলুঙা নাও চলে। সেই নাৱত উঠি মাছমৰীয়াই মাছ মাৰে। দলঙৰ পৰা শংকৰহঁতে মাছ ধৰা চাই বৰ ৰং পাইছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উৰাবাতৰিঃ বিভিন্ন মাধ্যমৰ মাজেৰে প্ৰচাৰিত হোৱা অপ্ৰামাণিক উৎসৰপৰা ওলোৱা আৰু সত্যাসত্য নিৰূপণ নোহোৱা তথ্য বা খবৰক উৰাবাতৰি বোলে।

উৰাবাতৰি মৌখিক বা লিখিত দুয়োধৰণৰে হ'ব পাৰে। উৰাবাতৰি মানুহৰ মুখে মুখে, বিভিন্ন সামাজিক মাধ্যমৰ জৰিয়তে ব্যাপকভাৱে বিয়পি পৰে।

এই ধৰণৰ মৌখিক, লিখিত আৰু বৈদ্যুতিন মাধ্যমৰ জৰিয়তে বিয়পা উৰাবাতৰিৰ বাবেই বিভিন্ন ঠাইত অঘটন ঘটিব ধৰিছে। সেইবাবে এনেধৰণৰ মুখে মুখে বাগৰি অহা উৰাবাতৰিৰ পৰা আমি সাৱধান হোৱা উচিত।

সামাজিক মাধ্যমঃ যি মাধ্যমৰ জৰিয়তে ৰাইজক জড়িত কৰিব পাৰি তাকে সামাজিক মাধ্যম বোলা হয়। ইয়াৰ জৰিয়তে চৌপাশে ঘটি থকা ঘটনাৰ পৰ্যৱেক্ষণ কৰা হয়।

সামাজিক মাধ্যম বুলিলে আমি বাতৰি-কাকত, অনাতাঁৰ (ৰেডিঅ'), দূৰদৰ্শন (টিভি), ভ্রাম্যভাষ (মোবাইল), কম্পিউটাৰ, ইন্টাৰনেট, কথাছবি বা চিনেমা, ফেক্স, ই-মেইল ইত্যাদিকে বুজো। বেছিভাগ সামাজিক মাধ্যমৰ ইতিবাচক ভূমিকা অনস্বীকার্য কিন্তু কেতিয়াবা সামাজিক মাধ্যমে নেতিবাচক ভূমিকা লোৱাও দেখা যায়। সেইবাবে সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ক্ষেত্রত শিক্ষক, অভিভাৱক আৰু পিতৃ-মাতৃ সকলোৱে সচেতন হোৱা উচিত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। তোমালোকে পাঠত পাইছা যে ৰতনপুৰ গাঁৱত বুধবাৰে সাপ্তাহিক হাট বহে। তোমালোকে জনা এনে হাটৰ বিষয়ে পাঁচশাৰী লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। তোমালোকে পাঠত পাইছা যে ৰতনপুৰ গাঁৱত বুধবাৰে সাপ্তাহিক হাট বহে। তোমালোকে জনা এনে হাটৰ বিষয়ে পাঁচশাৰী লিখা।

উত্তৰঃ মৰিগাঁও জিলাৰ হাবিবৰঙাবাৰী গাৱঁত সোমবাৰে এখন সাপ্তাহিক হাট বহে। এই সাপ্তাহিক হাটখনলৈ স্থানীয় লোক আৰু বিভিন্ন ব্যৱসায়ীয়ে- শাক-পাচলি, ধান, মৰাপাট, গৰু, ছাগলী, কাপোৰ আৰু বিভিন্ন ধৰণৰ সামগ্ৰী বিক্ৰী কৰিবলৈ আহে। এই হাটখনত সকলো ধৰণৰ সামগ্ৰী- বিক্ৰী আৰু ক্ৰয় কৰা হয়।

এই হাটখন হাবিবৰঙাবাৰী গাঁৱৰ ৰাজহুৱা খেলপথাৰ খনৰ ওচৰতে। আন দোকান-পোহাৰতকৈ কম দামত উন্নত মানৰ শাক-পাচলি ইত্যাদি পায় বাবে গাৱঁৰ লোকসকলে বজাৰখনলৈ বাট চাই থাকে।



১২। চিকিৎসক পায়েঙে ছিটা প্রয়োগ কৰাৰ উপকাৰিতাৰ বিষয়ে কোৱা কথাখিনি তুমি তোমাৰ অভিভাৱকৰ আগত কেনেদৰে প্রকাশ কৰিবা, দলত আলোচনা কৰি লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। তোমাৰ অঞ্চলৰ যিকোনো এটা সমস্যাৰ বিষয়ে বৰ্ণনা কৰি বাতৰি কাকতত প্ৰকাশৰ বাবে সম্পাদকলৈ এখন চিঠি লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

প্ৰতি,

মাননীয় সম্পাদক মহোদয়,

দৈনিক..... অসম (বাতৰি কাকতৰ নাম)

তাৰিখঃ-

মহাশয়,

আপোনাৰ দ্বাৰা সম্পাদিত বাতৰি কাকতৰ জৰিয়তে সংশ্লিষ্ট মহলৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছোঁ যে আমাৰ নন্দনপুৰ অঞ্চলটো বিভিন্ন সমস্যাৰে জৰ্জৰিত যদিও ঘাইকৈ ইয়াৰ বাট – পথৰ সমস্যাই অঞ্চলটোক

সততে জুৰুলা কৰি আহিছে। কেতিয়াবা দুই এটা বাট – পথ বিভাগীয় কর্তৃপক্ষই মেৰামতি কৰা দেখুৱায় যদিও কাম কৰা সকলে সামান্য কাম কৰি ধন আত্মসাৎ কৰি আঁতৰি যায়। ৰাস্তা পদূলিৰ এই সমস্যাৰ কাৰণে সকলো ৰাইজৰে চলা – ফুৰা, যাতায়াত কৰাত ভীষণ অসুবিধা হৈ পৰিছে। খলা বমা ৰাস্তাত গাড়ী, বাইক, চাইকেল প্রায়ে বাগৰি মানুহ আঘাতপ্রাপ্ত হোৱাৰ উপৰি দুই চাৰি আৰোহী আৰু পথচাৰীৰ মৃত্যুও হৈছে।

বিভাগীয় কর্তৃপক্ষক আবেদন নিবেদন কৰা হৈছে যদিও এতিয়ালৈ ৰাস্তা – পদূলিবোৰ ভাল কৰিবলৈ কোনো লেখত ল'বলগীয়া কাম হাতত লোৱা দেখা নাই।

এইক্ষেত্ৰত বিহিত ব্যবস্থা গ্ৰহণ কৰিবলৈ আপোনাৰ জনপ্ৰিয় বাতৰি কাকতৰ জৰিয়তে বিভাগীয় কর্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

ভৱদীয়

(তোমাৰ নাম)

ঠিকনাঃ-

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। তুমি যদি কেতিয়াবা উৰাবাতৰিৰে প্ৰৰোচিত হোৱা, তেনেহ'লে তাৰ পৰা পৰিত্ৰাণ পাবলৈ কি উপায় ল'বা কোৱা।



১৫। ছবিখন চাই এটা কাহিনী লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ঘ - প্ৰকল্প

১৬। উৰাবাতৰি সম্পৰ্কে সমাজত সজাগতা সৃষ্টিৰ বাবে বাটৰ নাট এখন প্ৰদৰ্শন কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭। তলত দিয়া আৰ্হিৰ দৰে উৰাবাতৰি সম্পৰ্কে সমাজত সজাগতা সৃষ্টিৰ বাবে প্ৰত্যেকেই দুটামান শ্লোগান লিখা।

